লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ২; জানুৱাৰী-জুন, ২০২১

# ৰ'দৰ উগাৰ

✍ অৰ্চনা ঠাকুৰীয়া

বাৰীৰ কৰ্দৈজোপা এইবাৰ বৰকৈ ফুলিছে।

ৰসাল হোৱাৰ আশাত

বেঙেনাবুলীয়া সময়বোৰেও বাট চাই ৰৈছে এটি সূৰুযমুখী হাঁহিলৈ

কুঁৱলীৰ তোৰণ ভেদী

ন কইনাৰ কপালৰ প্ৰথম ফোঁটটিৰ দৰে সূৰুযৰ তীব্ৰতাও বাঢ়ি আহিছে

আবেগৰ ঘনত্ব কমিলে দেখা পোৱা যাব পোহৰ অহা সঁচা বাট

যি বাটৰ দাঁতিত হাঁহি হৈ ফুলিব

আইভিলতাৰ দৰে মুকুতা প্ৰবাল

সূৰুযটোৱে এতিয়া বাগৰ সলাইছে

ৰ'দৰ উগাৰত ভাঁহি আহিছে কলাখাৰৰ গোন্ধ

ৰ'দৰ উত্তাপ বাঢ়িছে বাবেই হয়তো

দিনবোৰ আগতকৈ চুটি হ'ল

এতিয়া নৈৰ বুকুত সূৰুযটোৱে জিৰণি লৈছে

ঢৌৰ মাজত তাৰ মুখখন গলি গলি শেষ হ'ল

এন্ধাৰ হ'বলৈ এতিয়াও কিছুপৰ বাকী।

**যোগাযোগৰ ঠিকনা:**
পাঞ্জাৱাৰী, গুৱাহাটী-৩৭